**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ৮৮/২০২০**

# নতুন দিল্লীত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সন্মানত আয়োজিত নৈশ ভোজত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

**দিছপুৰ, ২৫ ফেব্ৰুৱাৰী ঃ** আজি ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দে বৰ্তমানে ভাৰত ভ্ৰমণৰত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ষ্ট্ৰাম্পৰ সন্মানত নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত আয়োজন কৰা নৈশ ভোজত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। এই নৈশ ভোজলৈ দেশৰ মাত্ৰ চাৰি গৰাকী মুখ্যমন্ত্ৰীক নিমন্ত্ৰণ জনোৱা হৈছে আৰু এই সকলৰ অন্যতম হৈছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল। উত্তৰ-পূৰ্বাঞ্চলৰ পৰা একমাত্ৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালকে এই নৈশ ভোজলৈ নিমন্ত্ৰণ জনোৱা হৈছে। নৈশ ভোজত উপস্থিত থাকি মুখ্যমন্ত্ৰী সোণোৱালে আমেৰিকাৰ ৰাষ্ট্ৰপতি গৰাকীৰ সৈতে কৰমৰ্দন কৰি বাৰ্তালাপ কৰে। মুখ্যমন্ত্ৰী সোণোৱালৰ লগতে কৰ্ণাটকৰ মুখ্যমন্ত্ৰী বি এছ য়েডিৰাপ্পা, তেলেংগানাৰ মুখ্যমন্ত্ৰী কে চন্দ্ৰশেখৰ ৰাও আৰু হাৰিয়ানাৰ মুখ্যমন্ত্ৰী মানোহৰ লাল খট্টৰকো এই নৈশ ভোজলৈ নিমন্ত্ৰণ জনোৱা হৈছে।

**বীঃগঃ / পুঃডেঃ**
**২৫/০২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in